# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-11-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

ভাৰতৰ সংবিধান গৃহীত হোৱাৰ দিনটো আজি সমগ্ৰ দেশজুৰি ৰাষ্ট্ৰীয় সংবিধান দিৱস হিচাপে উদযাপন কৰা হৈছে। সংবিধান গৃহীত হোৱাৰ ৭৫ সংখ্যক বছৰ উপলক্ষে কেন্দ্ৰীয় চৰকাৰে আজি বছৰজোৰা উদযাপন আৰম্ভ কৰিছে।

সংবিধান দিৱস উপলক্ষে আজি নতুন দিল্লীৰ সংবিধান সদনৰ কেন্দ্ৰীয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত অংশ লৈ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২০৪৭ চনৰ ভিতৰত উন্নত ভাৰত গঢ়াৰ লক্ষ্যত উপনীত হোৱাৰ বাবে নিজৰ আচৰণক সংবিধানৰ আদৰ্শসমূহৰ দ্বাৰা অনুপ্ৰাণিত কৰিবলৈ আহ্বান জনায়। তদুপৰি জনসাধাৰণক নিজৰ মৌলিক দায়িত্ব আৰু কৰ্তব্যসমূহ পালন কৰি যাবলৈও তেওঁ আহ্বান জনাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰতীয় সংবিধানক জীৱন্ত আৰু প্ৰগতিশীল নথি বুলি অভিহিত কৰে। তেওঁ কয় যে ইয়াৰ জৰিয়তে দেশে সামাজিক ন্যায় আৰু সৰ্বাত্মক উন্নয়নৰ লক্ষ্যত উপনীত হ'বলৈ সমৰ্থ হৈছে। তেওঁ কয়, যে চৰকাৰে সমাজৰ সকলো শ্ৰেণী, বিশেষকৈ দুৰ্বল শ্ৰেণীৰ কল্যাণৰ বাবে শেহতীয়াকৈ ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে। লোকসভা আৰু বিধানসভাত মহিলাৰ বাবে আসন সংৰক্ষণ সম্পৰ্কীয় নাৰী শক্তি বন্দনা অধিনিয়ম গৃহীত হোৱাৰ প্ৰশংসা কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে এই অধিনিয়মখনে মহিলা সৱলীকৰণৰ এটা নতুন যুগৰ সূচনা কৰিছে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয় যে এই গুৰুত্বপূৰ্ণ দিনটোৱে সংবিধান গ্ৰহণৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ ঐতিহাসিক উদযাপনৰ কথাকে সূচায়। তেওঁ কয়, যে ভাৰতে উল্লেখনীয় অৰ্থনৈতিক বিকাশ, শক্তিশালী আন্তঃগাঁথনি আৰু ডিজিটেল ব্যৱস্থাৰ ব্যাপক প্ৰসাৰৰ সৈতে অগ্ৰসৰ হৈছে আৰু এই সকলোবোৰ প্ৰচেষ্টাই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰিছে।

এই উপলক্ষে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয় যে সংবিধানখনে দেশত সামাজিক আৰু অৰ্থনৈতিক পৰিৱৰ্তনৰ চালিকা শক্তিৰূপে কাম কৰি আহিছে। তেওঁ লগতে সাংসদসকলক নিজ নিজ এলেকাৰ জনসাধাৰণৰ মাজত সংবিধান গ্ৰহণৰ ৭৫ বছৰ উদযাপন কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত ৰাষ্ট্ৰপতিয়ে সংবিধান গ্ৰহণৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ নামত উৎসৰ্গিত এটা স্মাৰক মুদ্ৰা আৰু ডাকটিকট উন্মোচন কৰে। এই উপলক্ষে Making of the Constitution of India: A Glimpse আৰু Making of the Constitution of India and its Glorious Journey নামৰ দুখন গ্ৰন্থও উন্মোচন কৰা হয়। সংবিধানৰ সংস্কৃত আৰু মৈথেলি সংস্কৰণো মুকলি কৰা হয়। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী, লোকসভা আৰু ৰাজ্যসভাত বিৰোধী পক্ষৰ নেতা, সাংসদ আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

ভাৰতৰ শ্বেত বিপ্লৱৰ জনক হিচাপে পৰিচিত ড° ভাৰ্গিজ কুৰিয়েনৰ জয়ন্তীৰ লগত সংগতি ৰাখি আজি দেশজুৰি ৰাষ্ট্ৰীয় দুগ্ধ দিৱস পালন কৰা হয়। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত এই দিৱসৰ সৈতে সংগতি ৰাখি বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰৰ দুগ্ধ উন্নয়ন সঞ্চালকালয়, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত মন্ত্ৰী অতুল বৰাই অংশগ্ৰহণ কৰে। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে শৰীৰৰ বাবে গাখীৰৰ উপযোগিতাৰ বিষয়ে উল্লেখ কৰাৰ লগতে দুগ্ধ ক্ষেত্ৰত উত্তৰণৰ পোষকতা কৰে। বিশ্বৰ মুঠ দুগ্ধ উৎপাদনত প্ৰায় ২৫ শতাংশ অৰিহণা যোগাই ভাৰতে উল্লেখনীয় স্থান দখল কৰিছে বুলি তেওঁ মত প্ৰকাশ কৰে।

অনুষ্ঠানৰ সৈতে সংগতি ৰাখি অসমীয়া, ইংৰাজী আৰু হিন্দী ভাষাৰ গোপাল তথ্য শীৰ্ষক এটি মোবাইল এপ মুকলি কৰা হয়। এই এপৰ জৰিয়তে পশু পালকসকলে পশুধনৰ স্বাস্থ্য, প্ৰতিকাৰমূলক ব্যৱস্থা, টীকাকৰণ, বিশেষজ্ঞৰ পৰামৰ্শ সহজে লাভ কৰিব পাৰিব। অনুষ্ঠানটোত দুগ্ধ উৎপাদনৰ দিশত অৱদান আগবঢ়োৱা বিভিন্ন প্ৰান্তৰ ভালেকেইগৰাকী কৃষকক সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য ৰাজ্যৰ পশুপালন খণ্ডটোৰ জৰিয়তে দুই লাখতকৈ অধিক লোকে নিজৰ জীৱিকাৰ পথ মুকলি কৰি আহিছে। অনুষ্ঠানত মন্ত্ৰী অতুল বৰাই পশুপালন তথা দুগ্ধ খণ্ডক বাণিজ্যিকিকৰণ কৰি নতুন প্ৰজন্মৰ অংশগ্ৰহণ নিশ্চিত কৰিবলৈ আহ্বান জনায়।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে আজি অনলাইন ট্ৰেডিং কেলেংকাৰি গোচৰত দুজন অভিযুক্তৰ জামিন নাকচ কৰাৰ বিপৰীতে ৫ জন অভিযুক্তৰ জামিন মঞ্জুৰ কৰিছে। ভিন ভিন পক্ষৰ অধিবক্তা, তদন্তকাৰী সংস্থা চি বি আইৰ অধিবক্তাৰ ভাষ্য গ্ৰহণৰ পাছত ন্যায়ালয়ে চন্দন নাথ আৰু শুভমজ্যোতি কুৰ্মীৰ জামিন আবেদন নাকচ কৰে। আনহাতে ন্যায়ালয়ে অভিযুক্ত ক্ৰমে- স্বপ্ননীল দাস, বিশাল ফুকন, জিতেন ডেকা, অভিজিৎ চন্দা আৰু তাৰ্কিক বৰাৰ জামিন মঞ্জুৰ কৰে। উল্লেখযোগ্য যে ট্ৰেডিঙৰ নামত সাধাৰণ লোকক প্ৰৱঞ্চনাক লৈ ডিব্ৰুগড়, দিছপুৰ আৰু আজাৰা থানাত ৰুজু হোৱা গোচৰৰ ভিত্তিত এইসকল অভিযুক্তক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। সম্প্ৰতি কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চমুকৈ চি বি আইয়ে এই গোচৰসমূহৰ তদন্ত চলাই আছে।

০০০০০

সমাপ্ত